# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 27-SEP-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

বিটিচি নিৰ্বাচনত বি পি এফ দলে একক সংখ্যাগৰিষ্ঠতা লাভেৰে পুনৰ ক্ষমতালৈ প্ৰত্যাৱৰ্তন কৰিছে। বিটিআৰৰ ৫ খন জিলাৰ ৪০টা পৰিষদীয় সমষ্টিৰ ভোটগণনাৰ অন্তত বি পি এফ দলে ২৮ খন আসন লাভ কৰাৰ বিপৰীতে শাসনাধিস্থিত ইউ পি পি এল দলে ৭ খন আৰু বিজেপিয়ে ৫ খন আসন লাভ কৰে। জিলা প্ৰশাসনৰ কটকটীয়া সুৰক্ষা ব্যৱস্থাৰ মাজেৰে কালিৰে পৰা অনুষ্ঠিত ভোটগণনা নিয়াৰিকৈ আজি পুৰা সমাপ্ত হয়।

উল্লেখযোগ্য যে বিটিচি প্ৰধান প্ৰমোদ বড়োৱে এই নিৰ্বাচনত গয়বাৰী সমষ্টিত জয়লাভ কৰে। বিপিএফৰ সভাপতি হাগ্ৰামা মহিলাৰিয়ে দেবৰগাঁও সমষ্টিত জয়লাভ কৰে।

তামুলপুৰ জিলাৰ ৫টা পৰিষদীয় সমষ্টিত বিজেপিয়ে দুখন, বিপিএফে দুখন আৰু ইউ পি পি এলে এখন আসন লাভ কৰে।

বাক্সা জিলাৰ ৬টা পৰিষদীয় সমষ্টিৰ ভিতৰত ৩টা সমষ্টিত বি পি এফ, দুটা সমষ্টিত ইউ পি পি এল আৰু এটা সমষ্টিত বিজেপিৰ প্ৰাৰ্থী জয়ী হয়।

ওদালগুৰি জিলাত বি পি এফে সাতখন, বিজেপিয়ে দুখন আৰু ইউ পি পি এল দলে এখন আসন লাভ কৰে।

চিৰাং জিলাৰ মুঠ ৭টা পৰিষদীয় সমষ্টিৰ ভিতৰত বিপিএফে ৫ খন আৰু ইউ পি পি এলে দুখন আসন লাভ কৰে। জিলাখনৰ চিৰাং, কাজলগাঁও, নিচিমা, সুভাইঝাৰ আৰু থুৰিবাৰী পৰিষদীয় সমষ্টিত বি পি এফে জয়লাভ কৰিছে। আনহাতে চিৰাং দুৱাৰ আৰু মানস ছেৰফাং সমষ্টিত ইউ পি পি এল দলৰ প্ৰাৰ্থীয়ে জয়লাভ কৰে।

নিৰ্বাচনৰ ফলাফল আনুষ্ঠানিকভাৱে ঘোষণা কৰাৰ পাছত বিপিএফ দলৰ মুৰব্বী হাগ্ৰামা মহিলাৰীৰ উপস্থিতিত কোকৰাঝাৰৰ বড়োলেণ্ড গেষ্ট হাউছত আজি দলটোৰ এখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত নৱনিৰ্বাচিত এম চি এল সকলৰ লগতে দলটোৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতা উপস্থিত থাকে। বৈঠকত মূলতঃ বিটিআৰত চৰকাৰ গঠন কৰা সন্দৰ্ভত আলোচনা কৰা হয়।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই নিৰ্বাচনী জয়ৰ বাবে বিপিএফক শুভেচ্ছা জনোৱাৰ লগতে এন ডি এৰ সহযোগী দল হিচাপে বিপিএফৰ সৈতে চৰকাৰে একেলগে কাম কৰিব যাব বুলিও তেওঁ কয়। বিপিএফৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে আজি নিচেই পুৱা মুখ্যমন্ত্ৰীক তেওঁৰ বাসগৃহত সাক্ষাৎ কৰে বুলিও ড০ শৰ্মাই সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰিছে।

ইপিনে বিটিচি প্ৰধান প্ৰমোদ বড়োৱে আজি এখন সংবাদমেল আয়োজন কৰি পৰিষদীয় নিৰ্বাচন শান্তিপূৰ্ণভাৱে সম্পন্ন কৰাত সহযোগিতা আগবঢ়োৱাৰ বাবে বিটিআৰবাসীক ধন্যবাদ জনায়। বিপিএফ দলক নিৰ্বাচনী জয়ৰ বাবে অভিনন্দন জনাই বিটিচি প্ৰধানগৰাকীয়ে অনাগত দিনত বিটিআৰ চুক্তিৰ বৈ যোৱা দফাসমূহ সম্পূৰ্ণ কৰিবলৈ দলটোৰ মুৰব্বীক আহ্বান জনায়। বড়োভূমিৰ স্বাৰ্থত ইউ পি পি এল দলে বিপিএফক সমৰ্থন জনাব বুলিও তেওঁ কয়।

**বাইট (প্ৰমোদ বড়ো)**

০০০০০

জনতাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ মূল অভিযুক্ত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাৰ বিৰুদ্ধে অসম আৰক্ষীয়ে লুকআউট ন'টিছ জাৰি কৰিছে। দুয়োগৰাকী অভিযুক্তই কোনো কাৰণতে যাতে ভাৰত এৰি যাব নোৱাৰে তাৰ বাবে ইণ্টাৰপলৰ জৰিয়তে অসম আৰক্ষীয়ে এই জাননী জাৰি কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি জনতাৰ প্ৰাণৰ শিল্পীগৰাকীৰ মৃত্যুৰ ঘটনাৰ তদন্ত যথেষ্ট আগবঢ়া বুলি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰি কয়, যে ৰাজ্য চৰকাৰে ছিংগাপুৰত থকা ভাৰতৰ ৰাষ্ট্ৰদূতৰ জৰিয়তে ৮ জন প্ৰবাসী অসমীয়ালৈও জাননী জাৰি কৰিছে। অহা ৬ অক্টোবৰৰ ভিতৰত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাৰ লগতে আটাইকেইজনকে চি আই ডিৰ ওপৰত হাজিৰ হ'বলৈ নিৰ্দেশ দিয়া হৈছে বুলিও তেওঁ কয়-

কেন্দ্ৰীয় মন্ত্ৰী জ্যোতিৰাদিত্য সিন্দিয়াই আজি জুবিন গাৰ্গৰ কাহিলিপাৰাৰ বাসগৃহত উপস্থিত হৈ জনতাৰ প্ৰাণৰ শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনায়। তেওঁ জুবিন গাৰ্গৰ পত্নী গৰিমা গাৰ্গৰ সৈতেও মত বিনিময় কৰে। চি আৰ পি এফৰ সঞ্চালক প্ৰধান জি পি সিঙেও শিল্পীগৰাকীৰ বাসগৃহত উপস্থিত হৈ তেওঁৰ প্ৰতি শ্ৰদ্ধা জনায়।

ইপিনে শিল্পীগৰাকীৰ মৃত্যু সন্দৰ্ভত অভিনেত্ৰী নিশিতা গোস্বামী, বাদ্যযন্ত্ৰী শেখৰজ্যোতি গোস্বামী আৰু কণ্ঠশিল্পী অমৃতপ্ৰভা মহন্ত আজি উলুবাৰীত থকা চি আই ডিৰ কাৰ্যালয়ত হাজিৰ হয়। জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ সময়ত ছিংগাপুৰতে থকা এই তিনিওগৰাকীকে এছ আই টিয়ে সোধা-পোছাৰ বাবে হাজিৰ হ'বলৈ চমন জাৰি কৰিছিল। কালিও শ্যামকানু মহন্তৰ মাডাৰ টেৰেছা ৰোডৰ কাৰ্বি পথত থকা বাসগৃহত তদন্তকাৰী গোটে অভিযান চলায়। বিশেষ তদন্তকাৰী গোটৰ নেতৃত্বত অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান বিভাগৰ ৩০ জনীয়া এটা দলে বাসগৃহৰ প্ৰতিটো কোঠাত অভিযান চলাই বিভিন্ন তথ্যৰ অনুসন্ধান কৰে।

০০০০০

সমাপ্ত